# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-07-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - -

উত্তৰ প্ৰদেশৰ মানকাপুৰৰ জিলাহীৰ গোণ্ডা-গোড়খপুৰ পথত ডিব্ৰুগড়-চণ্ডীগড় এক্সপ্ৰেছৰ কেইবাটাও দবা লাইনচ্যুত হয়। ৰে'লৰেৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি লক্ষ্ণৌৰ পৰা যোৱা দলে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ৰে'ল বিভাগৰ জ্যেষ্ঠ বিষয়াই দুৰ্ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্যৰ তদাৰক কৰিছে। ইপিনে, ৰেল দুৰ্ঘটনাৰ খবৰ পোৱাৰ পাছতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৃহ বিভাগৰ বিষয়াক উত্তৰ প্ৰদেশ চৰকাৰৰ সৈতে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিছে।

ooooo

যোগান আৰু ৰাজহুৱা বিতৰণ বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি দিছপুৰত সদৌ অসম সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ বিভিন্ন দাবী সন্দৰ্ভত সন্থাৰ বিষয়াবৰ্গৰ সৈতে আলোচনাত মিলিত হয়। সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ দাবীসমূহ শুনাৰ অন্তত মন্ত্ৰী শ্ৰীদাসে সন্থাই ২০০৮ চনৰ পৰা ২০১৫ চনলৈ প্ৰাপ্য ধন নোপোৱা সন্দৰ্ভত তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ২০০৮ চনৰ পৰা ২০১৫ চনলৈ অন্ন সুৰক্ষা যোজনা আঁচনিৰ অধীনত সুলভ মূল্যৰ ব্যৱসায়ীসকলে পৰিবহন ব্যয়ৰ বাবদ ১১ কোটি ২৫ লাখ টকা পাবলগীয়া আছে। আনহাতে, ২০১০ চনৰ পৰা ২০১৫ চনলৈ মুখ্যমন্ত্ৰী অন্ন সুৰক্ষা যোজনাত সুলভ মূল্যৰ ব্যৱসায়ীসকলে ৭ কোটি ২১ লাখ টকা পাবলগীয়া আছে। সুলভ মূল্যৰ ব্যৱসায়ীসকলে যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা পাবলগীয়া কমিছনৰ ধন ১৮০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিয়াৰ পাছত ৰাজ্য চৰকাৰে সেই ধন মুকলি কৰি দিয়া বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰৰ তৰফৰ পৰাও সুলভ মূল্যৰ ব্যৱসায়ীসকলক ৬০ কোটি টকা মুকলি কৰি দিয়া হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। তেওঁ কয় যে এই ধনৰাশি তেওঁলোকে আগন্তুক নৱেম্বৰ মাহলৈকে প্ৰতি মাহৰ কমিছন হিচাপে জিলা আয়ুক্তৰ জৰিয়তে পোনপটীয়াকৈ বেংক একাউণ্টত লাভ কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব গ্ৰহণ কৰাৰ পাছত ২০২১ চনৰ ৩০ জুনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত সুলভ মূল্যৰ ব্যৱসায়ীসকলক ২০১৯ চনৰ এপ্ৰিল মাহৰ পৰা ১৪৩ টকাকৈ আদায় দি অহা হৈছে। আজিৰ বৈঠকত সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ বিষয়ববীয়াৰ লগতে বিভিন্ন জিলাৰ ৩৫গৰাকী প্ৰতিনিধি উপস্থিত থাকে।

ooooo

ৰাজ্যৰ বান পৰিস্থিতি উন্নত হোৱাৰ পাছত পশুধন আৰু হাঁহ-কুকুৰাক ৰোগৰ পৰা ৰক্ষা কৰিবলৈ পশুপালন বিভাগক যাৱতীয় নিৰীক্ষণ আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কৃষি আৰু পশুপালন মন্ত্ৰী অতুল বৰাই নিৰ্দেশ দিয়ে। দিছপুৰত আজি অনুষ্ঠিত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ এখন বৈঠকত শীৰ্ষ বিষয়াসকলক এই দিশত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। পশুপালন আৰু দুগ্ধ খণ্ডৰ গুৰুত্ব বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই খণ্ডসমূহৰ উন্নয়ন আৰু পশুপালক তথা দুগ্ধপালকসকলৰ

সবলীকৰণ সুনিশ্চিত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি মন্ত্ৰী শ্ৰীবৰাই প্ৰকাশ কৰে। আজিৰ এই বৈঠকত কৃত্ৰিম প্ৰজননৰ লগতে বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে বিশদভাৱে পৰ্যালোচনা কৰা হয়। কৃষকসকলৰ সুবিধাৰ্থে কামসমূহ নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পন্ন কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি দিছপুৰত ৰাজ্যৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানসমূহৰ অধ্যক্ষসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে এখন বৈঠকত মিলিত হয়। এই বৈঠকত পলিটেকনিক প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ কাম-কাজ সন্দৰ্ভত বুজ লোৱা হয়। চলিত বিত্তীয় বৰ্ষত শিক্ষানুষ্ঠানসমূহৰ অতিৰিক্ত শ্ৰেণীকোঠা, স্মাৰ্ট শ্ৰেণীকোঠা, আৱাসিক আদি আন্তঃগাঁথনিগত উন্নয়নৰ বাবে লোৱা পৰিকল্পনা অনুসৰি অধ্যক্ষসকলৰ সৈতে মন্ত্ৰীগৰাকীয়ে বিশদ আলোচনা কৰে।

০০০০০

মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত আজি ডিফু ক্লাবত আৰ্থিকভাৱে পিছপৰা বিদ্যাৰ্থীসকলৰ লগতে বিভিন্ন ৰোগত আক্ৰান্ত হোৱা লোকসকলৰ মাজত চেক বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ উপস্থিতিত স্থানীয় বিধায়ক বিদ্যাছিং ইংলেঙে ডিফু বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৩০ জন লোকক প্ৰথম পৰ্যায়ৰ চেকসমূহ বিতৰণ কৰে। পৰৱৰ্তী সময়ত সমষ্টিটোৰ প্ৰায় এহেজাৰ লোকক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰা হ'ব বুলি বিধায়কগৰাকীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য উপস্থিত থাকে।

০০০০০

শিৱসাগৰ জিলাই ৰাজ্যৰ প্ৰথমখন ১০০ শতাংশ অ' ডি এফ প্লাছ আদৰ্শ জিলাৰ স্বীকৃতি লাভ কৰে। এই বৃহৎ লক্ষ্য প্ৰাপ্তিত নিৰন্তৰ সহযোগিতা আৰু প্ৰয়াসৰ বাবে শিৱসাগৰৰ প্ৰতিজন বাসিন্দালৈ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ৰাজ্য চৰকাৰৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বচ্ছ আৰু সুস্থ ভাৰতৰ লক্ষ্য পূৰণৰ দিশত নিৰন্তৰ প্ৰচেষ্টাৰ বাবে তেওঁ স্বচ্ছ ভাৰত মিছন গ্ৰামীণ, অসমৰ প্ৰতিজন বিষয়াক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

সমাপ্ত